**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 30-MAR-2026
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

------------------------------

১। বিধানসভা নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে শাসক-বিৰোধী উভয়ৰে তাৰকা প্ৰচাৰকক লৈ প্ৰচাৰ অভিযান তীব্ৰ। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আজি **মেৰা বুথ সবচে মজবুত** কাৰ্যসূচীৰ অধীনত অসমৰ দলীয় কৰ্মীসকলৰ সৈতে মত বিনিময়।

২। নিৰ্বাচন শান্তিপূৰ্ণ আৰু সুচাৰুৰূপে অনুষ্ঠিত কৰাৰ বাবে ৰাজ্যজুৰি কটকটীয়া নিৰাপত্তা ব্যৱস্থা।

৩। শিৱসাগৰৰ দিখৌ নদীৰ ওপৰৰ গেমন দলঙৰ ভাগি যোৱা অংশ শীঘ্ৰে পুনৰ নিৰ্মাণ কৰাৰ বাবে কেন্দ্ৰীয় মন্ত্ৰী নীতিন গাডকাৰীলৈ সাংসদ গৌৰৱ গগৈৰ পত্ৰ প্ৰেৰণ।

৪। সাম্প্ৰতিক ভূ-ৰাজনৈতিক পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত চৰকাৰৰ ২১খন ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চললৈ উৎকৃষ্টমানৰ কেৰাচিন বিতৰণৰ অনুমতি। **আৰু**

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত যোৱা নিশা কলকাতা নাইট ৰাইডাৰ্ছৰ বিৰুদ্ধে মুম্বাই ইণ্ডিয়ানছৰ ৬ উইকেটত জয়লাভ।

০০০০০০

ৰাজ্যত বিধানসভা নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ অভিযান তীব্ৰ হৈ উঠিছে। শাসক-বিৰোধী উভয়ে তাৰকা প্ৰচাৰকক লৈ ভোটদাতাসকলৰ মন জয় কৰাৰ বাবে উঠি পৰি লাগিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি **মেৰা বুথ সবচে মজবুত** কাৰ্যসূচীৰ অধীনত নমো এপ'ৰ মাধ্যমেৰে বিজেপিৰ জ্যেষ্ঠ নেতা তথা অসম আৰু পুডুচেৰীৰ দলীয় কৰ্মীসকলৰ সৈতে মত বিনিময় কৰিব। বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কালি শোণিতপুৰ জিলাৰ ঢেকীয়াজুলি আৰু নলবাৰীৰ চামতাত অনুষ্ঠিত নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে। শ্ৰীশ্বাহে সুৰক্ষিত আৰু বিকশিত অসম গঢ়াৰ সংকল্পক অধিক শক্তিশালী কৰিবলৈ জনসাধাৰণৰ প্ৰতি আহ্বান জনায়।

বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীনে আজি জাগীৰোড আৰু বোকাখাতত প্ৰচাৰ চলাব। তেওঁ অগপৰ সভাপতি তথা মন্ত্ৰী অতুল বৰাৰ হৈ প্ৰচাৰ সভাত অংশ ল'ব। শ্ৰীনবীনে কালি মাৰ্ঘেৰিটা, জোনাই আৰু গোগামুখত বিজয় সংকল্প সভাত অংশ লয়।

**বাইট (নীতিন নবীন)**

বিজেপিৰ জ্যেষ্ঠ নেতা তথা মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি মাজুলীৰ গড়মূৰত এন ডি এ সমৰ্থিত প্ৰাৰ্থী ভুবন গামৰ হৈ প্ৰচাৰ অভিযানত অংশ লোৱাৰ সম্ভাৱনা আছে। ড০ শৰ্মাই কালি গৃহ সমষ্টি জালুকবাৰীত ৰোড শ্ব'ত অংশগ্ৰহণ কৰে। ইয়াৰ পূৰ্বে তেওঁ কাৰ্বি আংলং জিলাৰ বোকাজান, বকলীয়া আৰু বৈঠালাংছ'ত নিৰ্বাচনী সভাত ভাগ লয়। জ্যেষ্ঠ বিজেপি নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে ঢকুৱাখনা সমষ্টিৰ মিত্ৰজোঁটৰ প্ৰাৰ্থী নৱ কুমাৰ দলেৰ হৈ ঘিলামৰাত প্ৰচাৰ অভিযানত অংশ লয়।

কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খাৰ্গেই দলীয় প্ৰাৰ্থীৰ হৈ ৰাজ্যত প্ৰচাৰ চলাইছে। শ্ৰীখাৰ্গেই কালি লখিমপুৰ জিলাৰ নাওবৈচাত আয়োজিত পৰিৱৰ্তন সভাত অংশ লৈ কংগ্ৰেছ নেতৃত্বাধীন মিত্ৰজোঁটৰ প্ৰাৰ্থীসকলৰ হৈ প্ৰচাৰ চলায়। তেওঁ লগতে ৫টা প্ৰতিশ্ৰুতিৰে কংগ্ৰেছৰ নিৰ্বাচনী ইস্তাহাৰ মুকলি কৰে।

**বাইট (মল্লিকাৰ্জুন খাৰ্গে)**

চৰাইদেউ জিলাৰ চাহ বাগিচা অঞ্চলত ভোটদাতাৰ মন জয় কৰাৰ লক্ষ্যৰে কালি ঝাৰখণ্ড মুক্তি মৰ্চাৰ মুৰব্বী হেমন্ত চোৰেণে সোণাৰি সমষ্টিৰ জয় ভাৰত দলৰ প্ৰাৰ্থী বলদেৱ তেলীৰ সমৰ্থনত প্ৰচাৰ অভিযানত ভাগ লয়।

অসম জাতীয় পৰিষদৰ সভাপতি তথা খোৱাং সমষ্টিৰ প্ৰাৰ্থী লুৰীণজ্যোতি গগৈ, শিৱসাগৰত বিজেপি প্ৰাৰ্থী কুশল দুৱৰী আৰু ৰাইজৰ দলৰ নেতা অখিল গগৈয়ে প্ৰচাৰ চলাই আছে। শিলচৰ সমষ্টিৰ বিজেপি প্ৰাৰ্থী ডাঃ ৰাজদীপ ৰায়ৰ হৈ ত্ৰিপুৰাৰ মুখ্যমন্ত্ৰী ড০ মাণিক সাহাই নিৰ্বাচনী সভাত অংশ লয়।

০০০০০০

বিধানসভা নিৰ্বাচন উপলক্ষে ভোটদাতাসকলৰ মাজত সজাগতা সৃষ্টিৰ উদ্দেশ্যে জিলাই জিলাই প্ৰণালীবদ্ধ ভোটাৰ শিক্ষা আৰু নিৰ্বাচনী প্ৰক্ৰিয়া অংশগ্ৰহণ অৰ্থাৎ ছুইপ কাৰ্যসূচীৰ অধীনত বিভিন্ন সজাগতামূলক কাৰ্যসূচী ৰূপায়ণ কৰা হৈছে। এই অভিযানে চহৰ-নগৰ আৰু গ্ৰামাঞ্চলকে ধৰি সকলো শ্ৰেণীৰ জনসাধাৰণক সামৰি লৈছে। বিশেষকৈ নৱপ্ৰজন্মৰ ভোটদাতাসকলৰ মাজত এই বিষয়ত সজাগতা সৃষ্টি কৰি তেওঁলোকক ভোটদানৰ প্ৰতি আকৰ্ষিত কৰাৰ বাবে প্ৰয়াস চলোৱা হৈছে। **তিনিচুকীয়া** জিলা প্ৰশাসনে মাৰ্ঘেৰিটা সমষ্টিৰ দিহিং চাহ বাগিচাত আয়োজন কৰা সভাত ভোটাৰ তথ্য পত্ৰ বিতৰণৰ উপৰি ভোটগ্ৰহণ কেন্দ্ৰ, ক্ৰমিক নম্বৰ, ভোটদানৰ তাৰিখ আৰু সময় সন্দৰ্ভত জনসাধাৰণক সজাগ কৰিছে। **চিৰাং** জিলা প্ৰশাসনে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ সৈতে মত বিনিময় কৰাৰ লগতে ভোটাৰ সাক্ষৰতা অভিযানৰ অংশ হিচাপে গছপুলি ৰোপণৰ দৰে কাৰ্যসূচী ৰূপায়ণ কৰিছে। একেদৰে **নগাঁও** জিলা প্ৰশাসনে বিদ্যালয় পৰিদৰ্শক কাৰ্যালয়ৰ সৌজন্যত জন সচেতনতামূলক কাৰ্যসূচীৰ উপৰি বেনাৰ, পোষ্টাৰ আৰু শ্ল'গানৰ ব্যৱহাৰেৰে সজাগতা বৃদ্ধি কৰাৰ প্ৰয়াস কৰিছে। জিলাই জিলাই বিভিন্ন নামেৰে নিৰ্বাচনী শুভংকৰো মুকলি কৰা হৈছে। **ধুবুৰী** জিলা প্ৰশাসনে ব্ৰহ্মপুত্ৰৰ নদী ড'লফিনৰ প্ৰেৰণাৰে **শিহুৰীয়া**, শীতৰ পৰিভ্ৰমী চৰাই দেওৰাজ হাঁহক লৈ **মাজুলী** জিলা প্ৰশাসনে **দেওৰাজ**, দুগ্ধশিল্পই **বজালী** জিলাৰ অৰ্থনীতিত আগবঢ়োৱা বৰঙণিৰ চিহ্ন হিচাপে **কামধেনু**, **মানস অভয়াৰণ্য**ত বিলুপ্তিপ্ৰায় নলগাহৰি আধাৰত, বাক্সা জিলাত **পিগমি** শীৰ্ষক শুভংকৰ মুকলি কৰিছে।

০০০০০০

অহা ৯ এপ্ৰিলত হ'বলগীয়া বিধানসভা নিৰ্বাচন শান্তিপূৰ্ণ আৰু সুচাৰুৰূপে অনুষ্ঠিত কৰাৰ বাবে ৰাজ্যজুৰি নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তোলা হৈছে। প্ৰথমবাৰৰ বাবে এটা পৰ্যায়ত হ'বলগীয়া নিৰ্বাচনৰ বাবে নিৰ্বাচন আয়োগে কেইবা তৰপীয়া নিৰাপত্তা ব্যৱস্থা গঢ়ি তুলিছে। সুৰক্ষাজনিত দিশৰ প্ৰতি লক্ষ্য ৰাখি বহিঃৰাজ্যৰ পৰা কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বাহিনীৰ বহুকেইটা বেটেলিয়নৰ ভালেসংখ্যক জোৱান নিয়োগ কৰা হৈছে। তদুপৰি হোমগাৰ্ড আৰু বিভিন্ন পদৰ বিষয়াকে ধৰি ৭৪ হাজাৰৰো অধিক অসম আৰক্ষীৰ বিষয়া জোৱানক নিয়োগ কৰা হৈছে। ইপিনে আন্তঃৰাজ্যিক আৰু আন্তঃজিলা সীমান্তত চিচিটিভি নিৰীক্ষণৰ ব্যৱস্থাৰ উপৰি তালাচী অভিযান তীব্ৰতৰ কৰি তোলা হৈছে। ৰাজ্যৰ ১৩৪টা সীমান্তত ২৪ ঘণ্টাই ফ্লায়িং স্কোৱাডে সূক্ষ্মভাৱে তালাচী অভিযান চলাই আছে। কামৰূপ জিলাত নিৰাপত্তাজনিত ব্যৱস্থা সন্দৰ্ভত জিলাখনৰ সংবাদদাতা কৌশিক দাসে এইদৰে কয়—

**ভইচকাষ্ট (কৌশিক দাস)**

০০০০০০

বিধানসভা নিৰ্বাচনৰ অংশ হিচাপে ৮৫ বছৰ ঊৰ্ধৰ জ্যেষ্ঠ নাগৰিক আৰু বিশেষভাৱে সক্ষম ভোটদাতাসকলৰ বাবে ঘৰত ভোটদান প্ৰক্ৰিয়া কালিৰে পৰা যোৰহাট জিলাত অনুষ্ঠিত হৈছে। জিলাখনৰ চাৰিওটা সমষ্টিতে এই বিশেষ

ভোটদান প্ৰক্ৰিয়া সুচাৰুৰূপে সম্পন্ন কৰাৰ বাবে প্ৰশাসনে ইতিমধ্যে যাৱতীয় ব্যৱস্থা সম্পূৰ্ণ কৰিছে। আৰক্ষীৰ নিৰাপত্তাৰ মাজত সম্পূৰ্ণ স্বচ্ছ আৰু নিকাভাৱে ভোটদানৰ ব্যৱস্থা কৰা হৈছে। নিৰ্ধাৰিত ভোটগ্ৰহণকাৰী বিষয়াৰ দলে ঘৰে ঘৰে গৈ ভোটগ্ৰহণ কৰিছে। জিলাখনত কালি ১০৭ বছৰ বয়সীয়া স্বাধীনতা সংগ্ৰামী খগেশ্বৰ গগৈকে ধৰি বহুকেইগৰাকী জ্যেষ্ঠ নাগৰিকে তেওঁলোকৰ গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰে।

০০০০০০

বৰপেটা নিৰ্বাচনী জিলাৰ অন্তৰ্গত বৰপেটা সংৰক্ষিত বিধানসভা সমষ্টিটোত এইবাৰ নতুন ভৌগোলিক পৰিসীমাৰে নিৰ্বাচন অনুষ্ঠিত হব। ইয়াৰ বাবে জিলা নিৰ্বাচন বিভাগে নিৰ্বাচন আয়োগৰ নীতি-নিৰ্দেশনা অনুসৰি প্ৰস্তুতি অব্যাহত ৰাখিছে। প্ৰথমবাৰলৈ সমষ্টিটো অনুসূচিত জাতিৰ বাবে সংৰক্ষিত কৰা হৈছে। বৰপেটা সংৰক্ষিত বিধানসভা সমষ্টিত মুঠ ভোটদাতা হৈছে এক লাখ ৭০ হাজাৰ ৭৬৭ গৰাকী। ইয়াৰে ৮৬ হাজাৰ ৭৪ জন পুৰুষ ভোটাৰ আৰু ৮৪ হাজাৰ ছয়শ ৯০ গৰাকী মহিলা ভোটাৰ। তিনিগৰাকী তৃতীয় লিংগৰ ভোটদাতা আছে। জিলা নিৰ্বাচন বিভাগৰ তথ্য অনুসৰি সমষ্টিটোত ভোট কেন্দ্ৰৰ সংখ্যা হৈছে ২২১টা। ইয়াৰে ৬০টা কেন্দ্ৰ সম্পূৰ্ণৰূপে মহিলাৰ দ্বাৰা পৰিচালিত হব। তদুপৰি এটা আদৰ্শ কেন্দ্ৰও সমষ্টিটোত থাকিব।

২০২১ চনৰ বিধানসভা নিৰ্বাচনত সমষ্টিটোত কংগ্ৰেছ দলৰ প্ৰাৰ্থী আব্দুৰ ৰহিম আহমেদ বিজয়ী হৈছিল। এইবাৰ সমষ্টিটো সংৰক্ষিত হোৱাত কংগ্ৰেছৰ প্ৰাৰ্থীজনে পুনৰ প্ৰতিদ্বন্দ্বিতা কৰিব নোৱাৰিলে। সেয়েহে কংগ্ৰেছে মহানন্দ দত্ত সৰকাৰক প্ৰাৰ্থী হিচাপে প্ৰক্ষেপ কৰে যদিও মনোনয়নত থকা ভুলৰ বাবে নিৰ্বাচন আয়োগে সৰকাৰৰ প্ৰাৰ্থিত্ব বাতিল কৰে। ইয়াৰ ফলত সমষ্টিটোত বৰ্তমান তিনিগৰাকী প্ৰাৰ্থীৰ মাজতহে প্ৰতিদ্বন্দ্বিতা হব। তেওঁলোক হৈছে অসম গণ পৰিষদৰ দীপক কুমাৰ দাস, নিৰ্দলীয় প্ৰাৰ্থী উদ্ধৱ চন্দ্ৰ দাস আৰু গগণ চন্দ্ৰ হালৈ।

০০০০০০

শিৱসাগৰ জিলাৰ ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ দিখৌ নদীৰ ওপৰত থকা গেমন দলংখনৰ খহি যোৱা অংশ যুদ্ধকালীন তৎপৰতাৰে পুনৰ নিৰ্মাণ কৰিবলৈ কংগ্ৰেছ সাংসদ গৌৰৱ গগৈয়ে কেন্দ্ৰীয় পথ পৰিবহন আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰীলৈ পত্ৰ প্ৰেৰণ কৰিছে। উল্লেখযোগ্য যে, যোৱা শুকুৰবাৰে দলংখনৰ এটা অংশ খহি পৰাৰ ফলত পথটোৰে যাতায়াত ব্যৱস্থা বন্ধ হৈ পৰিছে। যোৰহাট, ডিব্ৰুগড় আৰু তিনিচুকীয়া সংযোগী এই পথটোৰে যোগাযোগ ব্যৱস্থা ব্যাহত হোৱাৰ ফলত বৃহত্তৰ অঞ্চলটোৰ জনসাধাৰণ ভিতৰুৱা পথেৰে যাত্ৰা কৰিবলগীয়া হোৱাত গন্তব্য স্থান পাবলৈ অতিৰিক্ত ২০-৩০ কিলোমিটাৰ পথ অতিক্ৰম কৰিবলগীয়া হৈছে। জৰুৰীকালীন সেৱা আগবঢ়োৱা এম্বুলেন্স আৰু অত্যাৱশ্যকীয় সামগ্ৰী কঢ়িওৱা ট্ৰাকসমূহৰ যাতায়াততো বাধাৰ সৃষ্টি হৈছে। যাৰ বাবে সমগ্ৰ অঞ্চলটোত অৰ্থনৈতিক প্ৰভাৱ পৰাৰ লগতে ব্যৱসায়িক কামকাজত স্থবিৰতা আহি পৰিছে। প্ৰশাসনিক গাফিলতিৰ বাবেই দলংখন এনেদৰে খহি পৰা বুলি সাংসদ শ্ৰী গগৈয়ে কেন্দ্ৰীয় মন্ত্ৰী নীতিন গাডকাৰিলৈ প্ৰেৰণ কৰা পত্ৰখনত অভিযোগ উত্থাপন কৰে।০০০০০

০০০০০০

ভূ-ৰাজনৈতিক পৰিস্থিতিৰ ফলস্বৰূপে বিশ্বজুৰি শক্তি যোগানত প্ৰভাৱ পেলোৱাৰ পৰিপ্ৰেক্ষিতত চৰকাৰে ২১ খন ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চললৈ ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ অধীনত উৎকৃষ্টমানৰ কেৰাচিন বিতৰণৰ ক্ষেত্ৰত অধিসূচনা জাৰি কৰিছে। এই অধিসূচনাৰ জৰিয়তে পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰালয়ে কেৰাচিনৰ ব্যৱহাৰ বন্ধ কৰি দিয়া ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলৰ নিৰ্ধাৰিত ইন্ধন কেন্দ্ৰসমূহক ঘৰুৱা ব্যৱহাৰৰ বাবে উৎকৃষ্টমানৰ

কেৰাচিন মজুত তথা বিতৰণৰ বাবে অনুমতি প্ৰদান কৰিছে। এই অধিসূচনা অনুসৰি প্ৰতিখন জিলাতে ৰাজহুৱা খণ্ডৰ তেল কোম্পানীসমূহৰ অধীনৰ ইন্ধন কেন্দ্ৰসমূহত ৫ হাজাৰ লিটাৰ পৰ্যন্ত কেৰাচিন মজুত কৰি ৰাখিব পাৰিব। অতি শীঘ্ৰে যাতে কেৰাচিনৰ বিতৰণ কৰিব পৰা যায় তাৰ বাবে নিৰ্দিষ্ট অনুজ্ঞাপত্ৰ অবিহনে ডিলাৰ আৰু পৰিবহণকাৰীসকলে এয়া কাৰ্যকৰী কৰিব পাৰিব। অৱশ্যে সুৰক্ষা আৰু নিৰাপত্তা ব্যৱস্থা বাহাল থাকিব। ৰন্ধনকাৰ্য আৰু ঘৰত পোহৰৰ ব্যৱস্থা কৰাৰ বাবে কেৱল কেৰাচিনৰ ক্ষেত্ৰতহে এই ব্যৱস্থা প্ৰযোজ্য হ'ব। এই অধিসূচনা তাৎক্ষণিকভাৱে বলৱৎ কৰা হৈছে আৰু পৰৱৰ্তী ৬০ দিন অথবা পৰৱৰ্তী অধিসূচনা জাৰি নকৰা পৰ্যন্ত বাহাল থাকিব।

০০০০০০

সমাজসেৱী সাংস্কৃতিক সংস্থা সুৰতীৰ্থৰ ৫১ সংখ্যক প্ৰতিষ্ঠা দিৱস আজি দিনজোৰা কাৰ্যসূচীৰে গুৱাহাটীৰ নিউ আৰ্ট প্লেয়াৰ্ছ প্ৰেক্ষাগৃহত আয়োজন কৰা হৈছে। সুধাকণ্ঠ ড০ ভূপেন হাজৰিকাৰ জন্ম শতবৰ্ষৰ সৈতে সংগতি ৰাখি সংস্থাটোৱে এইবাৰৰ প্ৰতিষ্ঠা দিৱসত ড০ ভূপেন হাজৰিকাৰ গীত, মাত, কবিতা আবৃত্তি আদিৰ আয়োজন কৰিছে। অনুষ্ঠানত অধ্যাপক ড০ পৰমানন্দ মজুমদাৰে ড০ ভূপেন হাজৰিকাৰ জীৱন দৰ্শন আৰু কৰ্ম বিষয়ক স্মাৰক বক্তৃতা প্ৰদান কৰিব।

০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ যোৱা নিশা মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত মুম্বাই ইণ্ডিয়ানছে কলকাতা নাইট ৰাইডাৰ্ছক ৬ উইকেটত পৰাস্ত কৰে। মুম্বাই ইণ্ডিয়ানছে ২২১ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৯ অভাৰ এটা বলত ৪ উইকেটৰ বিনিময়ত নিৰ্ধাৰিত লক্ষ্যত উপনীত হয়। দলৰ হৈ ৰিয়ান ৰিকেল্টনে ৮১ আৰু ৰোহিত শৰ্মাই ৭৮ ৰান কৰে। ইয়াৰ পূৰ্বে কলকাতা নাইট ৰাইডাৰ্ছে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৪ উইকেটৰ বিনিময়ত ২২০ ৰান সংগ্ৰহ কৰে। আজিংক্য ৰাহানেই ৬৭ আৰু অংক্ৰীশ ৰঘুবংশীয়ে ৫১ ৰান কৰে। মুম্বাই ইণ্ডিয়ানছৰ হৈ তিনিটা উইকেট দখল কৰা শ্বাৰ্দুল ঠাকুৰক প্লেয়াৰ অৱ দা মেচ ঘোষণা কৰা হয়।

প্ৰতিযোগিতাত আজি গুৱাহাটীৰ বৰ্ষাপাৰা ক্ৰিকেট ষ্টেডিয়ামত ৰাজস্থান ৰয়েলছ চেন্নাই ছুপাৰ কিংছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। অৱশ্যে প্ৰতিকূল বতৰৰ বাবে এতিয়া খেলখন অনুষ্ঠিত হোৱাকলৈ অনিশ্চয়তাই দেখা দিছে।

০০০০০০

আসন্ন বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত ৰাজ্যৰ ৰাজনৈতিক দল আৰু প্ৰাৰ্থীসকলৰ মাজত ব্যাপক নিৰ্বাচনী তৎপৰতা, বিদেশী বিতাৰণ সন্দৰ্ভত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ ৰণদংকা, অসমৰ বাবে কংগ্ৰেছ পাঁচটা গেৰাণ্টী, ১০ এপ্ৰিলত মেট্ৰিক পৰীক্ষাৰ ফলাফল ঘোষণা, আমেৰিকাত ট্ৰাম্পৰ বিদ্ৰোহ আদি বিভিন্ন বাতৰিয়ে আজি গুৱাহাটীৰ পৰা প্ৰকাশিত দৈনিক বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাত স্থান পাইছে।

অনুপ্ৰৱেশকাৰীক খেদিবলৈ আৰু পাঁচ বছৰ বিচাৰিলে অমিত শ্বাহে। ঢেকীয়াজুলি, টিহুত বিজেপিৰ বিজয় সংকল্প সমাৰোহত অংশগ্ৰহণৰ এই বাতৰিটো **আমাৰ অসম আৰু দ্যা ছেণ্টিনেল কাকতে** কাকতে মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

বিধানসভা নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে ৰাজ্যত বিজেপি আৰু কংগ্ৰেছৰ দুয়োগৰাকী ৰাষ্ট্ৰীয় সভাপতিয়ে একেদিনাই প্ৰচাৰ অভিযানৰ চলোৱাৰ বাতৰিটো **দৈনিক অসম** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

মহিলাসকলক ৫০ হাজাৰকৈ টকা, প্ৰতিটো পৰিয়ালক ২৫ লাখ টকাৰ বিনামূলীয়া স্বাস্থ্য বীমা, ১০০ দিনৰ ভিতৰত জুবিন গাৰ্গক ন্যায় প্ৰদান, ১০ লাখ খিলঞ্জীয়া ভূমিপুত্ৰক স্থায়ী ভূমি পট্টা, বয়োজ্যেষ্ঠ নাগৰিকক প্ৰতিমাহে ১২৫০ টকাকৈ সহায় আগবঢ়োৱাৰ কথা ঘোষণা কৰি **দৈনিক অগ্ৰদূত** কাকতৰ প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰিৰ শিৰোনাম অসমৰ বাবে পাঁচ গেৰাণ্টী কংগ্ৰেছৰ।

জনজাতিকৰণ নামৰ ভেল্কিবাজি, আহোম-সোণোৱালসহ খিলঞ্জীয়া জনগোষ্ঠীক কৰা প্ৰতাৰণাই আনিছে বিপদ। সৰ্বানন্দ সোণোৱালক মাৰাথন নিৰ্বাচনী প্ৰচাৰ চলোৱাত বিশেষ নিৰ্দেশ জাৰি কৰিছে বিজেপিৰ ৰাষ্ট্ৰীয় নেতৃত্বই- এই বাতৰি অসমীয়া প্ৰতিদিন কাকতৰ।

নিয়মীয়া বাৰ্তা কাকতৰ প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰি অনুপ্ৰৱেশকাৰীয়ে কাঢ়িছে যুৱপ্ৰজন্মৰ চাকৰি। বিজয় সংকল্প সভাত অংশগ্ৰহণ কৰি অমিত শ্বাহৰ এই ঘোষণা।

যুদ্ধক লৈ স্বাৰ্থপৰ ৰাজনীতি নকৰিবলৈ বিৰোধীক আহ্বান নৰেন্দ্ৰ মোদীৰ। **অসমীয়া খবৰ** কাকতে এই বাতৰি প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

দ্যা আছাম ট্ৰিবিউন কাকতৰ বাতৰিৰ শিৰোনাম IRAN WARNS US AGAINST GROUND INVASION।

দেশ শাসনৰ নীতি ঃ ইৰানৰ বিৰুদ্ধে যুদ্ধৰ বিৰোধীতা কৰি ট্ৰাম্পৰ বিৰুদ্ধে ৰাজপথত ৯০ লাখ মাৰ্কিন নাগৰিকৰ প্ৰতিবাদী কাৰ্যসূচীৰ কথা উল্লেখ কৰি প্ৰথম পৃষ্ঠাত মুখ্য বাতৰি প্ৰকাশ কৰিছে। দৈনিক জনমভূমি কাকতে।

০০০০০০

বতৰৰ বতৰা-

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া আৰু দুই-এজাক বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২৫ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ১৯ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, অসম, মেঘালয়, নাগালেণ্ড, মণিপুৰ, আৰু ত্ৰিপুৰাৰ ঠাই বিশেষে বিজুলি-ঢেৰেকনিৰে বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

**সমাপ্ত**